**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ২৪০/২০২১**

# ‘ৰাষ্ট্ৰীয় খাদ্য তেল মিছন - অইল পাম’ সন্দৰ্ভত কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী আৰু কৃষিমন্ত্ৰীৰ সৈতে ভিডিঅ' কনফাৰেন্সত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ, ৩১ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সযোগে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি আৰু উদ্যানশস্য খণ্ড সম্পৰ্কীয় কেইবাটাও বিষয় সন্দৰ্ভত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে কেন্দ্ৰীয় উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন দপ্তৰৰ মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু কেন্দ্ৰীয় কৃষিমন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰৰ এক ভাৰ্চুৱেল বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মূলতঃ ‘ৰাষ্ট্ৰীয় খাদ্য তেল মিছন - অইল পাম’ (NMEO-OP), অৰ্থাৎ খেজুৰীজাতীয় শস্যৰ পৰা খাদ্য হিচাপে ব্যৱহৃত তেল উৎপাদনৰ ৰাষ্ট্ৰীয় অভিযান সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই খণ্ডৰ সৈতে সম্পৰ্কিত আন কেইবাটাও বিষয়, যেনে — ‘উত্তৰ-পূৰ্বাঞ্চলৰ বাবে জৈৱিক মূল্য শৃংখলাৰ বিকাশ অভিযান’ (MOVCDNER), ৰাষ্ট্ৰীয় বাঁহ মিছন, বহনক্ষম উন্নয়ন লক্ষ্য আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে ইয়াৰ লক্ষ্য সূচকসমূহ ইত্যাদিৰ ওপৰতো আলোচনা কৰা হয়।

উল্লেখযোগ্য যে যোৱা ১৮ আগষ্ট তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে উত্তৰ-পূৰ্বাঞ্চল আৰু আন্দামান-নিকোবৰ দ্বীপপুঞ্জৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি নতুন কেন্দ্ৰীয় পৃষ্ঠপোষকতাপ্ৰাপ্ত আঁচনি হিচাপে ‘ৰাষ্ট্ৰীয় খাদ্য তেল মিছন - অইল পাম’ নামৰ খেজুৰীজাতীয় শস্যৰ পৰা খাদ্য হিচাপে ব্যৱহৃত তেল উৎপাদন সন্দৰ্ভত এক নতুন অভিযান আৰম্ভ কৰিবলৈ অনুমোদন জনাইছিল। দেশত খেজুৰীজাতীয় তেলৰ উৎপাদন বৃদ্ধি আৰু বিদেশৰ পৰা খোৱা তেল আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে ১১,০৪০ কোটি টকাৰ ব্যয়সাপেক্ষ এই অভিলাষী অভিযান হাতত লোৱা হৈছে। উল্লেখনীয়ভাৱে এই মিছনৰ বাবে ধাৰ্য কৰা মুঠ বিত্তীয় ব্যয়ৰ ভিতৰত কেৱল উত্তৰ-পূৰ্বাঞ্চলৰ বাবেই ৫৮৫০ কোটি টকা ব্যয়ৰ লক্ষ্য বান্ধি দিয়া হৈছে। এই অভিযানৰ ফলপ্ৰসূ ৰূপায়ণে অঞ্চলটোৰ তৈলবীজ উৎপাদন খণ্ডত এক বিপ্লৱৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

আজিৰ ভাৰ্চুৱেল বৈঠকত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী দুগৰাকীক অৱগত কৰে যে বৰ্তমান অসমত গোৱালপাৰা, বঙাইগাঁও আৰু কামৰূপ (গ্ৰাম্য) জিলাক সামৰি ৩৫০ হেক্টৰ ভূমিত খেজুৰীজাতীয় তৈলবীজৰ খেতি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা এই অভিলাষী অভিযানৰ পৰা সৰ্বাধিক লাভালাভ প্ৰাপ্ত কৰাৰ বাবে ৰাজ্যখন যথেষ্ট উৎসাহী বুলি উল্লেখ কৰি অহা সপ্তাহৰ ভিতৰত অসমে এই সম্পৰ্কীয় বিতং প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

আজিৰ এই ভিডিঅ' কনফাৰেন্সত কৃষিমন্ত্ৰী অতুল বৰা আৰু কেইবাগৰাকীও জ্যেষ্ঠ প্ৰশাসনিক বিষয়া মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত থাকে। বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী অথবা উপ-মুখ্যমন্ত্ৰীসকল আৰু কৃষিমন্ত্ৰীসকলৰ লগতে ড'নাৰ মন্ত্ৰালয়, কৃষি মন্ত্ৰালয় আৰু উত্তৰ-পূব পৰিষদৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**৩১/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in